**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 24-04-2026 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। পশ্চিমবংগ বিধানসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণ অন্ত পৰাৰ লগে লগে দ্বিতীয় পৰ্যায়ৰ বাবে প্ৰচাৰ অভিযান তীব্ৰতৰ হৈ উঠিছে।

২। আজি ৰাষ্ট্ৰীয় পঞ্চায়তীৰাজ দিৱস। উপ-ৰাষ্ট্ৰপতি, প্ৰধানমন্ত্ৰী আৰু কেন্দ্ৰীয় গৃহ মন্ত্ৰীয়ে দেশবাসীলৈ শুভেচ্ছা জনাইছে।

৩। চৰকাৰে ২০২৫-২৬ বৰ্ষত অনুসূচিত জাতিৰ শিক্ষাৰ্থীসকলৰ শিক্ষা আৰু সবলীকৰণৰ বাবে ৭ হাজাৰ ৯৮১ কোটি টকা মোকলাই দিছে।

*আৰু*

৪। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত আজি ৰয়েল ছেলেঞ্জাৰ্ছ বাংগালুৰু, গুজৰাট টাইটানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০০

পশ্চিমবংগ বিধানসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণ অন্ত পৰাৰ লগে লগে দ্বিতীয় পৰ্যায়ৰ বাবে প্ৰচাৰ অভিযান তীব্ৰতৰ হৈ উঠিছে। বিভিন্ন ৰাজনৈতিক দলে তাৰকা প্ৰচাৰকক লৈ ভোটদাতাৰ মন আকৰ্ষণৰ চেষ্টা চলাইছে। জ্যেষ্ঠ বিজেপি নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি দমদমত এখন ৰাজহুৱা সভাত অংশ লৈছে। তেওঁ লগতে বাৰুইপুৰত এটা ৰেলীত ভাগ ল'ব। কেন্দ্ৰীয় গৃহমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা অমিত শ্বাহে আজি বিয়লি হিংগলগঞ্জ আৰু ক'ননগৰত প্ৰচাৰ চলাব। তৃণমূল কংগ্ৰেছৰ নেত্ৰী তথা পশ্চিমবংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে ভৱানীপুৰত প্ৰচাৰ চলোৱাৰ লগতে দলৰ সাধাৰণ সচিব অভিষেক বেনাৰ্জীয়ে হাওৰা আৰু দক্ষিণ চৌবিবশ পৰগনাত কেইবাখনো নিৰ্বাচনী সভা তথা ৰোড শ্ব'ত অংশগ্ৰহণ কৰিব। বিজেপিৰ তাৰকা প্ৰচাৰক তথা অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি উলুবেৰীয়া দক্ষিণ, হৰিণঘাটা, বনগাঁ, আৰু কমাৰহাটীত দলীয় প্ৰাৰ্থীৰ সমৰ্থনত প্ৰচাৰ চলায়।

ৰাজ্যখনৰ বিধানসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ত কালি অভিলেখ ভোটদান হয়। এই পৰ্যায়ত ৯২ দশমিক ৮-৮ শতাংশ ভোটদাতাই ভোটদানৰ অধিকাৰ সাব্যস্ত কৰে।

ইপিনে, তামিলনাডুত কালি এটা পৰ্যায়ত অনুষ্ঠিত বিধানসভা নিৰ্বাচনত ৮৫ দশমিক ১-৫ শতাংশ ভোটদান হয়।

০০০০০০০

জ্যেষ্ঠ বিজেপি নেতা তথা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে পশ্চিমবংগ বিধানসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণৰ পাছত বিজেপিয়ে শক্তিশালী প্ৰদৰ্শনৰ দিশে আগবাঢ়িছে বুলি দাবী কৰিছে। কলকাতাৰ নিউ টাউনত আজি এখন সংবাদমেলত শ্ৰী শ্বাহে কয়, যে বিজেপিয়ে প্ৰথম পৰ্যায়ত ১৫২ খন আসনৰ ভিতৰত ১১০ খনৰো অধিক আসনত জয়লাভ কৰাৰ সম্ভাৱনা আছে। তেওঁ নিৰ্বাচন মুক্ত আৰু নিকাভাৱে অনুষ্ঠিত কৰাটো সুনিশ্চিত কৰাৰ বাবে নিৰ্বাচন আয়োগ তথা সুৰক্ষা বাহিনীসমূহক ধন্যবাদ জনায়। জ্যেষ্ঠ বিজেপি নেতাগৰাকীয়ে পশ্চিমবংগত এইবাৰ তৃণমূল কংগ্ৰেছৰ অৱসান নিশ্চিত বুলি উল্লেখ কৰি বিজেপিয়ে বিপুল সংখ্যাগৰিষ্ঠতাৰে চৰকাৰ গঠন কৰিব বুলি উল্লেখ কৰে। তেওঁ লগতে প্ৰথম পৰ্যায়ত ৯২ শতাংশৰো অধিক অভিলেখ ভোটদান কৰাৰ বাবে ভোটদাতাসকলক শুভেচ্ছা জনাই কয়, যে এয়া গণতন্ত্ৰৰ বাবে ইতিবাচক লক্ষণ।

00000000

আজি ৰাষ্ট্ৰীয় পঞ্চায়তীৰাজ দিৱস। সমগ্ৰ দেশৰ পঞ্চায়তীৰাজ প্ৰতিষ্ঠানসমূহক সাংবিধানিক মৰ্যাদা আৰু আইনী স্বীকৃতি প্ৰদান কৰা ঐতিহাসিক ৭৩ সংখ্যক সংবিধান সংশোধনী আইন কাৰ্যকৰী হোৱাৰ সৈতে সংগতি ৰাখি প্ৰতিবছৰে এই দিৱস পালন কৰা হয়। উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ, কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহকে ধৰি বিভিন্নজনে এই দিৱস উপলক্ষে দেশবাসীলৈ শুভেচ্ছা জনাইছে। শ্ৰী ৰাধাকৃষ্ণণে দেশৰ পঞ্চায়তীৰাজ প্ৰতিষ্ঠানসমূহৰ নিৰ্বাচিত প্ৰতিনিধি তথা কৰ্মচাৰীসকলক শুভেচ্ছা জনাই কয়, যে পঞ্চায়তীৰাজ হৈছে তৃণমূল পৰ্যায়ৰ গণতন্ত্ৰ আৰু অংশগ্ৰহণমূলক প্ৰশাসনৰ ভাৱনাৰ প্ৰতীক। এই প্ৰতিষ্ঠানে স্থানীয় সমুদায়ক সবল কৰাৰ লগতে গাঁও পৰ্যায়ত সিদ্ধান্ত গ্ৰহণত জনসাধাৰণৰ মতামতক যাতে গুৰুত্ব দিয়া হয়, সেয়া সুনিশ্চিত কৰি সৰ্বাংগীন বিকাশ শক্তিশালী কৰে। তেওঁ কয়, যে গ্ৰাম্য পৰিৱৰ্তনৰ ক্ষেত্ৰত পঞ্চায়তে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে আৰু এখন আত্মনিৰ্ভৰ তথা বিকশিত ভাৰত গঢ়ি তোলাৰ বাবে পঞ্চায়তৰ অৱদান উল্লেখনীয়।

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে সামাজিক মাধ্যমৰ এটা বাৰ্তাত কয়, যে পঞ্চায়ত ব্যৱস্থা হৈছে ভাৰতৰ অতি পুৰণি গণতান্ত্ৰিক পৰম্পৰাৰ অন্যতম আৰু গণতন্ত্ৰৰ এটা শক্তিশালী স্তম্ভ। তেওঁ লগতে কয়, যে গ্ৰাম্য বিকাশ, প্ৰশাসন, সামাজিক ন্যায়, দুৰ্যোগ ব্যৱস্থাপনাৰ পৰা আৰম্ভ কৰি সাংস্কৃতিক সংৰক্ষণলৈকে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰা পঞ্চায়তসমূহ বৰ্তমান অধিক শক্তিশালী আৰু আত্মনিৰ্ভৰশীল হৈ উঠিছে।

ইপিনে, পঞ্চায়তীৰাজ মন্ত্ৰালয়ে আজি নতুন দিল্লীত ৰাষ্ট্ৰীয় পঞ্চায়তীৰাজ দিৱসৰ আয়োজন কৰিছে। অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বাৰ্তা পাঠ কৰা হ'ব। প্ৰধানমন্ত্ৰীৰ বাৰ্তা সমগ্ৰ দেশৰ পঞ্চায়তীৰাজ প্ৰতিষ্ঠান আৰু গ্ৰাম্য স্থানীয় নিকায়সমূহৰ নিৰ্বাচিত প্ৰতিনিধি আৰু বিষয়ববীয়াসকলৰ মাজত প্ৰচাৰ কৰা হ'ব। নতুন দিল্লীত আয়োজিত ৰাষ্ট্ৰীয় পৰ্যায়ৰ এই অনুষ্ঠান পঞ্চায়তীৰাজ দপ্তৰৰ ৰাজ্য মন্ত্ৰী প্ৰফেছৰ এছ সিং বাঘেল, মন্ত্ৰালয়ৰ সচিব আৰু অন্য জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকিব। অনুষ্ঠানত পঞ্চায়ত অগ্ৰগতি সূচ্যাংক আৰু **মেৰি পঞ্চায়ত মেৰি ধৰোহৰ** বিষয়ক তিনিখন গ্ৰন্থ উন্মোচন কৰা হ'ব।

উল্লেখযোগ্য যে পঞ্চায়তীৰাজ ব্যৱস্থাত কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ পৰা ক্ষমতা গ্ৰাম্য পৰ্যায়ৰ নিৰ্বাচিত প্ৰতিনিধিলৈ হস্তান্তৰ কৰা হয়। ২ লাখ ৫০ হাজাৰ পঞ্চায়ত আৰু ২৪ লাখৰো অধিক নিৰ্বাচিত প্ৰতিনিধিৰে স্থানীয় প্ৰশাসন সম্প্ৰতি অধিক অন্তৰ্ভুক্তিমূলক হৈ পৰিছে। বিগত বছৰসমূহত ই-গ্ৰাম স্বৰাজ, মেৰী পঞ্চায়ত, পঞ্চায়ত নিৰ্ণয়, অডিট অনলাইন, স্বমিত্ব আৰু গ্ৰাম উৰ্জা স্বৰাজৰ দৰে ডিজিটেল পদক্ষেপসমূহে স্থানীয় প্ৰশাসনত স্বচ্ছতা আৰু কাৰ্যকৰিতা শক্তিশালী কৰি তুলিছে। দেশৰ ৯৫ শতাংশৰো অধিক গাঁৱত বৰ্তমানত থ্ৰী-জি আৰু ফ'ৰ-জিৰ সুবিধাৰে প্ৰান্তীয় অঞ্চল পৰ্যন্ত সেৱা প্ৰদান সুনিশ্চিত কৰা হৈছে।

000000000

চৰকাৰে ৭ হাজাৰ ৯৮১ কোটিতকৈও অধিক পুঁজি ৭৫ লাখ অনুসূচিত জাতিৰ শিক্ষাৰ্থীৰ শৈক্ষিক আৰু নিয়োগৰ সুবিধাৰ বাবে ২০২৫-২৬ বিত্তীয় বৰ্ষত মুকলি কৰি দিছে। সামাজিক ন্যায় আৰু সবলীকৰণ মন্ত্ৰী ড০ বীৰেন্দ্ৰ কুমাৰে কয় যে চৰকাৰে কল্যাণমূলক আঁচনিৰ জৰিয়তে সকলো স্তৰৰ লোকৰ সৰ্বাত্মক উন্নয়ন আৰু সামাজিক ন্যায় প্ৰদানৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ। তেওঁ কয় যে সামাজিক ন্যায় আৰু সবলীকৰণ মন্ত্ৰালয়ে শৈক্ষিক ক্ষেত্ৰখন শক্তিশালী কৰাৰ লগতে অনুসূচিত জাতিৰ শিক্ষাৰ্থীসকলক উপকৃত কৰিবলৈ কেইবাখনো আঁচনি ৰূপায়ণ কৰিছে। মন্ত্ৰীগৰাকীয়ে লগতে কয় যে বিভিন্ন আঁচনি আৰু কল্যাণমূলক কাৰ্যসূচীৰ জৰিয়তে সমাজৰ বিভিন্ন স্তৰৰ বিশেষকৈ অ' বি চি, জ্যেষ্ঠ নাগৰিক, তৃীয় লিংগৰ ব্যক্তি, অনাময় কৰ্মী আৰু আৰ্থিকভাৱে পিচপৰা শ্ৰেণীৰ উন্নয়নৰ বাবে কাম কৰি থকা হৈছে। মন্ত্ৰী ড০ কুমাৰে লগতে কয় যে অনুসূচিত জাতি কল্যাণ আঁচনিৰ অধীনত অনুসূচিত জাতি আৰু অন্যান্য শিক্ষাৰ্থীৰ বাবে প্ৰি-মেট্ৰিক জলপানি ২১ শতাংশলৈ বৃদ্ধি কৰা হৈছে।

000000000

ছাৰ্ক মুদ্ৰা বিনিময় আন্তঃগাঁথনিৰ অধীনত ভাৰতে প্ৰথমবাৰলৈ মালদ্বীপক ৩০ বিলিয়ন ডলাৰ ধন উলিওৱাত অনুমোদন জনাইছে। এই ধনৰাশি দ্বীপ ৰাষ্ট্ৰখনৰ অৰ্থনীতিত সহায়ক হ'ব। মালেত থকা ভাৰতীয় উচ্চায়ুক্তই কয় যে ২০২৪ চনত দেশখনৰ ৰাষ্ট্ৰপতি মহম্মদ মুইজ্জুই নতুন দিল্লী ভ্ৰমণৰ সময়ত মালদ্বীপ চৰকাৰ আৰু ভাৰতীয় ৰিজাৰ্ভ বেংকৰ সৈতে হোৱা চুক্তিৰ অধীনত এই ধনৰাশি মুকলি কৰাত অনুমোদন দিয়া হৈছে।

২০২৪ চনৰ অক্টোবৰত মালদ্বীপত ৪০ কোটি আমেৰিকান ডলাৰেৰে দেশখনৰ উন্নয়নত গতি লাভ কৰিছে। মালদ্বীপৰ বৈদেশিক মন্ত্ৰালয়ে কৈছে যে পুনৰবাৰ এই অনুমোদন লাভ কৰা কথাটোৱে দেশখনে অৰ্থনৈতিক ক্ষেত্ৰত নতুন গতি লাভ কৰাটোকে প্ৰমাণ কৰিছে। ২০১২ চনৰ পৰা এই আন্তঃগাঁথনি সৃষ্টি হোৱাৰে পৰা ভাৰতীয় ৰিজাৰ্ভ বেংকে মালদ্বীপলৈ ১ দশমিক ১ বিলিয়ন আমেৰিকান ডলাৰতকৈও অধিক মূল্যৰ আৰ্থিক অনুমোদন প্ৰদান কৰিছে। উচ্চায়ুক্তই কয় যে এই সুবিধা মালদ্বীপৰ আৰ্থিক স্থিৰতা পৰিচালনা কৰাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব। মালদ্বীপলৈ এই সাহায্যৰ জৰিয়তে ভাৰতৰ প্ৰতিবেশী প্ৰথম নীতি তথা মহাসাগৰ লক্ষ্য প্ৰতিফলিত হৈছে। ইয়াৰ জৰিয়তে ভাৰত মালদ্বীপৰ বিশ্বাসী অংশীদাৰৰূপে পৰিগণিত হোৱাৰ লগতে সময়ৰ আহ্বানক প্ৰথমেই সঁহাৰি জনোৱাৰ ভূমিকা পালন কৰিছে।

ooooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা দেওবাৰে দিনৰ ১১ বজাত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ আগত নিজৰ মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটোৰ ১৩৩ সংখ্যক খণ্ড। এই অনুষ্ঠান আকাশবাণী আৰু দূৰদৰ্শনৰ আটাইবোৰ নেটৱৰ্কৰ উপৰি আকাশবাণীৰ ৱেৱছাইট আৰু newsonair মোবাইল এপৰ জৰিয়তে শুনিবলৈ পোৱা যাব। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়, তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়, আকাশবাণী আৰু দূৰদৰ্শনৰ ইউটিউব চেনেল যোগেও এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে অনুষ্ঠানটো প্ৰচাৰ হোৱাৰ ঠিক পাছতেই ইয়াৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

ooooooooo

ত্ৰিপুৰা জনজাতীয় এলেকা স্বায়ত্তশাসিত জিলা পৰিষদৰ নৱ-নিৰ্বাচিত সদস্যসকলৰ শপত গ্ৰহণ অনুষ্ঠান অহা ২৭ এপ্ৰিলত খুমুলোৱঙত থকা পৰিষদ ভৱনত অনুষ্ঠিত হ'ব। সেইদিনাই নৱ-নিৰ্বাচিত সদস্যসকলৰ মাজৰ পৰা পৰিষদৰ অধ্যক্ষ আৰু মুখ্য কাৰ্যবাহী সদস্যক মনোনীত কৰা হ'ব।

ooooooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি বাংগালুৰুৰ এম চিন্নাস্বামী ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত ৰয়েল ছেলেঞ্জাৰ্ছ বাংগালুৰু, গুজৰাট টাইটানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে সাত বজাত আৰম্ভ হ'ব।

প্ৰতিযোগিতাত যোৱা নিশা মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত চেন্নাই ছুপাৰ কিংছে মুম্বাই ইণ্ডিয়ানছক ১০৩ ৰানত পৰাস্ত কৰে।

ooooooooo

সমাপ্ত